জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৪/২০২০

### নুমলীগড় ৰিফাইনেৰী সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়’ ৰিফাইনেৰী প্লাণ্টৰ নিৰ্মাণ কাৰ্যৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# ৰাজ্যৰ কৃষি অৰ্থনীতিৰ উত্থানৰ নেতৃত্ব বহন কৰিবলৈ নুমলীগড় ৰিফাইনেৰী লিমিটেডক মুখ্যমন্ত্ৰীৰ আহ্বান

## নুমলীগড়ৰ বায়’ ৰিফাইনেৰী প্লাণ্টত কেঁচামাল হিচাপে ব্যৱহৃত হ’ব বছৰি ৫ লাখ মেট্ৰিকটন বাঁহ

**দিছপুৰ, ১৩ মে’ঃ** ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতিৰ প্ৰসাৰৰ ক্ষেত্ৰত এক সক্ৰিয় ভূমিকা ল’বলৈ তথা স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনাইছে। আজি নুমলীগড়স্থিত নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ মুখ্য কাৰ্যালয়ত নুমলীগড় ৰিফাইনেৰী সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়’ ৰিফাইনেৰী প্লাণ্টৰ পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে এই আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি দুয়োটা প্ৰকল্পৰ নিৰ্মাণস্থলীও পৰিদৰ্শন কৰি ইয়াৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ ঔদ্যোগিক দৃশ্যপটত নুমলীগড় ৰিফাইনেৰী লিমিটেডে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে আৰু ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্প তথা বায়’ ফুয়েল প্লাণ্টৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতিলৈ বহুখিনি আশা কঢ়িয়াই আনিছে। অৱশ্যে প্ৰতিষ্ঠানটোৱে ইয়াৰ দক্ষতাৰ পাৰম্পৰিক ক্ষেত্ৰসমূহৰ পৰা ওলাই আহি ৰাজ্যৰ কৃষি অৰ্থনীতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰাৰ এয়াই উপযুক্ত সময় বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বাঁহক বৰ্তমান কৃষিজাত সামগ্ৰীৰ আওতালৈ অনা হৈছে আৰু বৃহৎসংখ্যক স্থানীয় লোকক বাঁহৰ উৎপাদনত জড়িতকৰণৰ যোগেদি কৃষি অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত বাঁহভিত্তিক ইথান’ল প্লাণ্টে নুমলীগড় ৰিফাইনেৰী লিমিটেডলৈ এক ডাঙৰ সুযোগ কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ নতুন বাঁহ আৰু বেত নীতিয়ে এই ক্ষেত্ৰত প্ৰতিষ্ঠানটোক আৰু স্থানীয় কৃষকসকলক যথেষ্ট সহায় কৰিব।

নুমলীগড় ৰিফাইনেৰী লিমিটিডে ইয়াৰ বিশাল সমলৰাজিৰ জৰিয়তে ৰাজ্যখনৰ থলুৱা অৰ্থনীতিৰ উত্থানৰ দিশত, বিশেষকৈ লক্‌ডাউনৰ সময়ছোৱাত বৃহৎভাৱে ক্ষতিগ্ৰস্ত হোৱা উদ্যান শস্যত জড়িত কৃষকসকলক সকাহ দিয়াৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে শীতলীকৰণ ভঁৰাল স্থাপনৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা কাৰ্যই কৃষকসকলক সহায় কৰাৰ লগত গ্ৰাম্য অৰ্থনীতিৰ উত্থানতো বিশেষ ভূমিকা পালন কৰিব। ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ তথা স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনায়।

ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত নুমলীগড় ৰিফাইনেৰী লিমিটেডে গ্ৰহণ কৰা ব্যৱস্থাৱাজিৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে পৰিচালিত হৈ ৰাজ্য চৰকাৰেও ন'ভেল কৰ'নাভাইৰাছৰ বিৰুদ্ধে ইয়াৰ যুঁজখন অধিক সক্ৰিয় কৰাত তথা একে সময়তে ৰাজ্যৰ অৰ্থনীতি শক্তিশালীকৰণৰ দিশত উৎসাহেৰে কাম কৰি আছে। তেওঁ লগতে সামাজিক দূৰত্বৰ নিয়ম মানি তথা স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশাৱলী অনুসৰণ কৰি ইয়াৰ উৎপাদনমূলক কাম-কাজ অব্যাহত ৰাখিবলৈ নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনায়। চেনিটাইজেশ্যন কাৰ্যসূচী অব্যাহত ৰখাৰ লগতে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ ইয়াৰ চিকিৎসালয়ত প্ৰয়োজনীয় সকলো সা-সঁজুলি মজুত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে শোধনাগাৰ কৰ্তৃপক্ষক আহ্বান জনায়। লক্‌ডাউনৰ সময়ছোৱাতো নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষই ইয়াৰ কৰ্মীসকলক নিয়মীয়াকৈ মাহিলী দৰমহা প্ৰদানৰ জৰিয়তে প্ৰতিমাহে ১.২০ কোটি টকা ব্যয় কৰা আৰু প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে আশ্ৰয়ৰ ব্যৱস্থা কৰা কাৰ্যক মুখ্যমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰে।

ৰাজ্যখনৰ দ্ৰুত ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত 'ইজ অৱ ডুয়িং বিজনেছ' নীতি ৰাজ্য চৰকাৰৰ চালিকা শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়' ফুয়েল প্ৰাণ্টৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তথা শোধনাগাৰৰ কাম-কাজৰ সুচলতৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাই মুখ্যমন্ত্ৰীক অৱগত কৰে যে ২২,৫৯৪ কোটি টকা প্ৰকল্প ব্যয়ৰে শোধনাগাৰৰ সম্প্ৰসাৰণ প্ৰকল্পৰ কাম অহা ৪৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই কাম সম্পূৰ্ণ হৈ উঠিলে শোধনাগাৰৰ সামৰ্থ্য বৰ্তমানৰ ৩ এমএমটিপিএ-ৰ পৰা ৯ এমএমটিপিএ-লৈ বৃদ্ধি পাব। ইয়াৰ বাবে ইতিমধ্যেই পৰামৰ্শদাতা নিয়োগ কৰা হৈছে আৰু নুমলীগড়ক সংযুক্ত কৰি খাৰুৱা তেল পৰিবাহী পাইপলাইন স্থাপনৰ বাবে পাৰাদ্বীপ বন্দৰত ইতিমধ্যেই ২০০ একৰ ভূমি লীজত লোৱা হৈছে। ১৭৫০ কোটি টকা প্ৰকল্প ব্যয়সাপেক্ষ বায়' ৰিফাইনেৰী প্লাণ্টৰ কাম সম্পূৰ্ণ হৈ উঠিলে ইয়াত কেঁচামাল হিচাপে বছৰি ৫ লাখ মেট্ৰিকটন বাঁহ ব্যৱহৃত হ'ব আৰু মূল উৎপাদন হিচাপে বছৰি ৪৯০০০ মেট্ৰিকটন ইথান'ল উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি পৰিচালন সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই প্লাণ্টৰ পৰা উৎপাদিত হ'বলগীয়া অন্যান্য প্ৰধান জৈৱ সামগ্ৰীৰ ভিতৰত এচিটিক এছিড আৰু ফাৰফুৰেল অন্যতম হ'ব আৰু আই-আই-টি, গুৱাহাটীৰ সহযোগত  এই ফাৰফুৰেলৰ পৰা বায়'ডিগ্ৰেডেবল প্লাষ্টিক উৎপাদনৰ বাবেও প্ৰচেষ্টা চলাই থকা হৈছে বুলি তেওঁ অৱগত কৰে। এই প্লাণ্টৰ কাম-কাজ ২০২১ চনৰ ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ কয়। এই প্ৰকল্পৰ সফল ৰূপায়ণৰ বাবে পৰিচালন সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক বন আৰু গড়কাপ্তানি বিভাগ তথা

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

সুৰক্ষা বিষয়ক কেইবাটাও দিশত সহায়ৰ বাবে আহ্বান জনায়। ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰত এক নেতৃত্ব বহনকাৰী শক্তিৰূপে কাম কৰি যোৱাৰ বাবে এই সকলোবোৰ দিশত নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষলৈ প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

এই পৰ্যালোচনাৰ সময়ত কৃষিমন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে মৃণাল শইকীয়া, ৰোজলীনা তিৰ্কী আৰু বিমল বৰা, গোলাঘাট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক, গড়কাপ্তানি আৰু বন বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ লগতে অন্যান্য শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

**বীঃগঃ**
**১৩/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in